স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

ফেব্ৰুৱাৰী ২০২৬ চন □ VOL-15 □ NO-350 □ FRIDAY 27 FEBRUARY 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDI

### কানৈ মহাবিদ্যালয়ত দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ উদ্বোধনী অনুষ্ঠান

## ইতিবাচক চিন্তাই মানুহৰ মানসিক স্বাস্থ্য সুস্থ-সবল কৰি ৰাখে ঃ ডাঃ ধ্ৰুৱজ্যোতি ভূঞা

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৬ ফেব্ৰুৱাৰী ঃ** 'মানুহৰ ইতিবাচক চিন্তাই মানসিক স্বাস্থ্য সুস্থ আৰু সবল কৰি ৰখাত সহায় কৰে। নিজস্ববোধক আৰু সময়ক গুৰুত্ব প্ৰদান কৰিলেহে ইতিবাচক চিন্তাৰে মানুহে নিজকে আগুৱাই নিব পাৰিব।' —ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ নৃতত্ত্ব বিভাগৰ উদ্যোগত তথা মহাবিদ্যালয়খনৰ গৱেষণা আৰু উন্নয়ন কোষৰ সহযোগত অনুষ্ঠিত দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰৰ প্ৰথম দিনাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাই আজি এইদৰে কয়। অধ্যাপক ড° ভাস্কৰ দাসে উদ্দেশ্য ব্যাখ্যা কৰা আলোচনা-চক্ৰখনত ডাঃ ভূঞাই কয়— এজন লোকৰ বিকাশ তিনিটা মূল উপাদানৰ ওপৰত নিৰ্ভৰশীল— জিনগত উত্তৰাধিকাৰীতা, পৰিৱেশ আৰু সামাজিক প্ৰভাৱ। এই তিনিওটাৰ গতিশীলতা আৰু পাৰস্পৰিক ক্ৰিয়াৰ ফলতেই এজন পূৰ্ণাংগ মানৱ ব্যক্তিত্ব গঢ় লৈ উঠে। 'Population Health and Well-Being in India with Special Reference to Northeast India (ISPHW-2026)' শীৰ্ষক আলোচনা-চক্ৰখনত আদৰণী ভাষণ আগবঢ়াই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— উত্তৰ-পূব ভাৰতৰ জনজাতীয় সমাজত থকা প্ৰাকৃতিক ভেষজ চিকিৎসা আৰু জীৱনশৈলী কেৱল লোকবিশ্বাস নহয়। ইয়াক আধুনিক বিজ্ঞানৰ সৈতে সংলগ্ন কৰিব পাৰিলে সমগ্ৰ মানৱ সমাজৰ বাবে ই বহনক্ষম স্বাস্থ্যৰ আহিঁ হ'ব পাৰে। কানৈ মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী ড° অৰুণ কুমাৰ দত্তৰ নামত উৎসৰ্গা কৰা আলোচনা-চক্ৰখনত মূল ভাষণ আগবঢ়াই কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান আমেৰিকাৰ চিনচিনাটি বিশ্ববিদ্যালয়ৰ এমেৰিটাছ অধ্যাপক ড° ৰঞ্জন ডেকাই একালত মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগত অধ্যয়নৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে বৰ্তমান মহাবিদ্যালয়খনৰ উন্নতি দেখি অধ্যক্ষ ড° শশীকান্ত শইকীয়াক ভূয়সী প্ৰশংসা কৰে। অধ্যাপিকা ড° সংক্ৰান্তি দেৱীয়ে আঁত ধৰা আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰখনৰ উদ্বোধনী ভাষণ আগবঢ়াই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক তথা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° লখিৰাম শইকীয়াই কয়— আমি প্ৰকৃতিক সংৰক্ষণ কৰাৰ এয়াই উপযুক্ত সময়। তেওঁ কয়— আমি সকলো প্ৰকৃতিৰ সন্তান, সেয়েহে প্ৰকৃতিক সংৰক্ষণৰ দায়িত্বও আমাৰ সকলোৰে। প্ৰকৃতিক সংৰক্ষণ কৰিলেহে আমি বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হ'ব পাৰিম। আলোচনা-চক্ৰখনৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰি উলিওৱা আলোচনা-চক্ৰৰ 'সাৰাংশ পুথি' উন্মোচন কৰে কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য তথা বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈয়ে। নৃতত্ত্ববিদ ড° ফৰিদা আহমেদ দাস, ড° সাৰ্থক সেনগুপ্তা আৰু ড° দীপাঞ্জনা দত্ত দাসে অংশগ্ৰহণ কৰা আলোচনা-চক্ৰৰ প্ৰথমখন আলোচনা-সত্ৰত ক্ৰমে এমেৰিটাছ অধ্যাপক ড° ৰঞ্জন ডেকা আৰু কলকাতা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৰূপ ৰতন বন্দোপাধ্যায়ে নিৰ্ধাৰিত বিষয়ত গৱেষণা-পত্ৰ পাঠ কৰে। উদ্বোধনী অনুষ্ঠানত নৃতত্ত্ববিদ ড° কল্যাণ বৰুৱা, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপজ্যোতি ভৰালী, মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু গৱেষকে অংশগ্ৰহণ কৰে। উল্লেখ্য যে চলিত মাহৰ ৬ আৰু ৭ তাৰিখে মহাবিদ্যালয়ৰ অসমীয়া বিভাগেও এখন আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত কৰিছিল। একেটা মাহতে দুখনকৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰৰ আয়োজন কৰাত সচেতন মহলে মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশৰ বিশেষভাৱে শলাগ লৈছে। নৃতত্ত্ব বিভাগৰ অধ্যাপিকা ড° মৰমী তালুকদাৰ আৰু অধ্যাপক ড° ভাস্কৰ দাসে সমন্বয়ক হিচাপে আয়োজন কৰা আলোচনা-চক্ৰখনৰ উদ্বোধনী অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে নৃতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ড° সুনন্দা চাহুৰে।